# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

আজি কাতি বিহু। অসমৰ কৃষিজীৱি ৰাইজে আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি কাতি বিহু পৰম্পৰাগত ৰীতি নীতিৰে পালন কৰা হৈছে। এই উপলক্ষে চোতালত তুলসী ৰুই তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে পথাৰত বন্তি জ্বলাই বছৰটোৰ বাবে শইচ নদন বদন হোৱাৰ কামনা কৰা হৈছে। ঠায়ে ঠায়ে আকাশবন্তিও জ্বলোৱা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননি ডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তত কাতি বিহুৰ পৰম্পৰা ৰক্ষা কৰি পালন কৰা হৈছে। অসমীয়াৰ বাপতি সাহোন ৩ টা বিহুৰ অন্যতম কাতি বিহুৱে কৃষিজীৱি ৰাইজৰ জীৱনধাৰাক প্ৰতিফলিত কৰে। জিলাখনৰ মথুৰাপুৰত গাওঁবাসীয়ে চোতালত তুলসী ভেটি গঢ়ি তুলসী তলত বন্তি জ্বলাই পবিত্ৰতাৰে বিহু পালন কৰিছে। বিশ্বনাথ জিলাতো কৃষিভিত্তিক জীৱন আৰু বিশ্বাসৰ প্ৰতিফলন ঘটাই কাতি বিহু পালন কৰা হৈছে। এই উপলক্ষে পথাৰত বন্তি জ্বলাই শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰা হৈছে। মাজুলী জিলাতো কাতি বিহু পালন কৰা হৈছে। বিগত কিছুদিন ধৰি জিলাখনৰ মৃৎ শিল্পীসকলে মাটিৰ চাকি প্ৰস্তুত কৰি বিহুৰ বাবে সাজু কৰি তোলে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালন কৰা হৈছে। গোৱালপাৰা জিলাতো কৃষকসকলে শস্য নদন বদন হোৱাৰ কামনাৰে পথাৰত বন্তি জ্বলাইছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ে জিলাখনৰ আগিয়াৰ বাপুপাৰা গাওঁত কাতি বিহু পালনৰ লগতে বিভাগীয় আঁচনি সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰিছে।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী, কৃষি সঁজুলি আদিও বিতৰণ কৰা হয়।

ooooo

গোলাঘাট জিলাই নতুন দিল্লীত অনুষ্ঠিত আদি কৰ্মযোগী অভিযানৰ অনুষ্ঠানত দেশৰ ভিতৰতে শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলা হিচাপে সন্মানিত হৈ ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। জনজাতীয় কল্যাণ উৎকৃষ্টতা আৰু সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত গ্ৰহণ কৰা উল্লেখযোগ্য প্ৰচেষ্টাৰ বাবে এই স্বীকৃতি প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে জিলাখনত কৰ্মৰত সকলো বিষয়া কৰ্মচাৰী, জিলা সমন্বয়ক, প্ৰশিক্ষক আৰু সংশ্লিষ্ট সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

ooooo

কাছাৰ জিলাৰ কালাইনত পুনৰ ১৮ জন ৰোহিংগীয়া নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত লোকসকলৰ ভিতৰত মহিলা আৰু শিশু আছে। কালি স্থানীয় ৰাইজে এই লোকসকলক আটক কৰি আৰক্ষীক গটাই দিয়ে। আৰক্ষীৰ জেৰাত এই লোকসকলে ম্যানমাৰৰ বাসিন্দা আৰু দীৰ্ঘদিন ধৰি অবৈধভাৱে ভাৰতত বাস কৰি অহাৰ কথা

স্বীকাৰ কৰে। হায়দৰাবাদৰ পৰা মধ্যভোগীৰ জৰিয়তে কালাইনলৈ অহা লোকসকলে বাংলাদেশলৈ যোৱাৰ চেষ্টা কৰিছিল যদিও সীমান্ত পাৰ হোৱাৰ আগতে তেওঁলোকক আটক কৰা হয়। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

০০০০০

আজি ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস। নগাঁও জিলাৰ ৰহাৰ ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ সহযোগত আজি কেইবাটাও কাৰ্যসূচীৰে ১৬৪ সংখ্যক ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস পালন কৰা হয়। ধেৱা উদযাপন সমিতিৰ সভাপতি প্ৰবীন হাজৰিকাই পুৱা কৰা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হয়। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ফুলগুৰি ধেৱা স্মৃতি সৌধত বন্তি প্ৰজ্বলন কৰে। মন্ত্ৰীগৰাকীয়ে ফুলগুৰি ধেৱা ব্ৰিটিছ শাসনৰ এক কৰুণ কাহিনী বুলি মন্তব্য কৰে। একেটা অনুষ্ঠানতে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয়, যে ফুলগুৰিৰ ধেৱাত ইংৰাজৰ গুলীত মৃত্যু হোৱা লোকসকলক গোপনে সৎকাৰ কৰা মানুহ পোৱা বিল হিচাপে খ্যাত অঞ্চলটো অবৈধ দখলকাৰীৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে এই ঐতিহাসিক ভূমি দখলমুক্ত কৰি ফুলগুৰি ধেৱাৰ নামত পঞ্জীয়ন কৰা হ'ব বুলি প্ৰকাশ কৰে। ৰহাৰ বিধায়ক শশীকান্ত দাসে মানুহ পোৱা বিলতো এটা স্মৃতিসৌধ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে ব্ৰিটিছ শাসনত অন্যায় কৰ নীতিৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম কৃষক বিদ্ৰোহ এই ফুলগুৰিৰ ধেৱা। ১৮৬১ চনৰ ১৮ অক্টোবৰত ফুলগুৰিত ৰাইজমেলৰ জৰিয়তে ইংৰাজৰ শোষণ নিষ্পেষণৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ গৈ বহু কৃষকে ব্ৰিটিছৰ গুলীত প্ৰাণ আহুতি দিছিল।

০০০০০

সমাপ্ত